# কৃষি পৰামৰ্শ সেৱা বুলেটিন, অসম

*(বুলেটিনত উল্লেখ কৰা পৰামৰ্শসমূহ অসমৰ বিভিন্ন AMFU ৰ দ্বাৰা প্ৰস্তুত)*

বুলেটিন নং.৪৬/২০২৬

তাৰিখ: ০৯.০৬.২০২৬

## বতৰৰ সতৰ্কবাণী

- **০৯ জুন :** দুই এঠাইত বিজুলী ঢেৰেকণিসহ বজ্ৰপাতৰ লগতে প্ৰৱলৰ পৰা অতি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ঠাই বিশেষে ধুমুহা বতাহ বলাৰো সম্ভাৱনা আছে, বতাহৰ সৰ্বোচ্চ গতিবেগ ৩০ৰ পৰা ৪০ কি.মি হব পাৰে।

- **১০ জুন** : দুই এঠাইত বিজুলী ঢেৰেকণিসহ বজ্ৰপাতৰ লগতে প্ৰৱলৰ পৰা অতি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ঠাই বিশেষে ধুমুহা বতাহ বলাৰো সম্ভাৱনা আছে, বতাহৰ সৰ্বোচ্চ গতিবেগ ৩০ৰ পৰা ৪০ কি.মি হব পাৰে।

- **১১ জুন** : দুই এঠাইত বিজুলী ঢেৰেকণিসহ বজ্ৰপাতৰ লগতে প্ৰৱলৰ পৰা অতি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ঠাই বিশেষে ধুমুহা বতাহ বলাৰো সম্ভাৱনা আছে, বতাহৰ সৰ্বোচ্চ গতিবেগ ৩০ৰ পৰা ৪০ কি.মি হব পাৰে।

- **১২ জুন** : দুই এঠাইত বিজুলী ঢেৰেকণিসহ বজ্ৰপাতৰ লগতে প্ৰৱলৰ পৰা অতি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

- **১৩ জুন** : দুই এঠাইত বিজুলী ঢেৰেকণিসহ বজ্ৰপাতৰ লগতে প্ৰৱলৰ পৰা অতি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

## ভাৰত বতৰ বিজ্ঞান বিভাগৰ শ্ৰেণীবিভাজন অনুসৰি বৰ্ধিত সময়ৰ পূৰ্বাভাস

(১২- ১৮ জুন ২০২৬)

| বতৰ বিজ্ঞানৰ শ্ৰেণীবিভাজন | বৰষুণ | সৰ্বোচ্চ তাপমাত্ৰা | নূন্যতম তাপমাত্ৰা |
|---|---|---|---|
| অসম আৰু মেঘালয় | স্বাভাৱিক | স্বাভাৱিকৰ ওপৰত | স্বাভাৱিকৰ ওপৰত |

## বতৰৰ সতৰ্কবাণীৰ সম্ভাব্য প্ৰভাৱ (সাধাৰণ)

- বিজুলী ঢেৰেকণি/বজ্ৰপাতে মুকলি পথাৰত কাম কৰা মানুহ আৰু পশুধনৰ বাবে বিপদৰ সৃষ্টি কৰিব পাৰে, যাৰ ফলত আঘাতপ্ৰাপ্ত বা মৃত্যুও হ'ব পাৰে। জীৱ-জন্তুবোৰক গছৰ তলত গোট খাবলৈ নিদিব। জীৱ-জন্তুবোৰক ভালদৰে চাওক আৰু ইহঁতক আপোনাৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণত ৰাখিবলৈ চেষ্টা কৰক।
- দ' অঞ্চলত পানী জমা/পাহাৰীয়া অঞ্চলত ভূমিস্খলন হ'ব পাৰে।
- প্ৰৱল বৰষুণ/ধুমুহা বতাহ/ভূমিস্খলনৰ বাবে দুৰ্বল গঠনৰ ক্ষতি হোৱাৰ সম্ভাৱনা। গছৰ ডাল ভাঙি যোৱাৰ ফলত বিদ্যুৎ আৰু যোগাযোগ লাইনৰ ক্ষতি হ'ব পাৰে। পথত পানী জমা হোৱাৰ ফলত যাতায়ত সাময়িকভাৱে ব্যাঘাতপ্ৰাপ্ত হ'ব পাৰে বা যাত্ৰাৰ সময় বৃদ্ধি পাব পাৰে।
- পথত পানী জমা হোৱাৰ ফলত যাতায়ত সাময়িকভাৱে ব্যাঘাতপ্ৰাপ্ত হ'ব পাৰে বা যাত্ৰাৰ সময় বৃদ্ধি পাব পাৰে।

## প্ৰভাৱ ভিত্তিক পৰামৰ্শ (সাধাৰণ)

- সকলো ট্ৰেফিক পৰামৰ্শ অনুসৰণ কৰক।
- বিজুলী ঢেৰেকণি/বজ্ৰপাতৰ সময়ত ঘৰতে থাকক, অতি প্ৰয়োজন নহ'লে যাত্ৰা পৰিহাৰ কৰক।
- বিজুলী ঢেৰেকণি/বজ্ৰপাত/ ধুমুহা বতাহ/প্ৰৱল বৰষুণ আহি থকা সময়ত পথাৰত কাম কৰা পৰিহাৰ কৰক,

সুৰক্ষিত স্থানত আশ্ৰয় লওক। বজ্ৰপাতৰ সময়ত গছৰ তলত বা বিদ্যুৎ খুঁটাৰ কাষত আশ্ৰয় নল'ব।

- বাহনখন আচ্ছাদন থকা এলেকাত পাৰ্ক কৰক।

## কৃষিৰ ওপৰত বতৰৰ সতৰ্কবাণীৰ সম্ভাব্য প্ৰভাৱ

- শস্য ঢলি পৰা (Lodging): তীব্ৰ বতাহ আৰু ধুমুহাৰ ফলত ধান, মাকৈ বা কুঁহিয়াৰৰ দৰে শস্য মাটিত ঢলি পৰিব পাৰে। ইয়াৰ ফলত শস্য চপোৱাত অসুবিধা হয় আৰু উৎপাদন হ্ৰাস পায়।
- ফল আৰু ফুল সৰি পৰা: প্ৰৱল বতাহ/বৰষুণৰ ফলত আম বা নেমুৰ দৰে গছৰ ফুল আৰু কেঁচা ফল সৰি পৰিব পাৰে, যাৰ ফলত ব্যাপক লোকচান হোৱাৰ সম্ভাৱনা থাকে।
- কঠীয়া বা পুলি নষ্ট হোৱা: ধাৰাসাৰ বৰষুণে নতুনকৈ সিঁচি থোৱা বীজ উটুৱাই নিব পাৰে বা নাৰ্চাৰীত থকা কুমলীয়া পুলিবোৰৰ ক্ষতি কৰিব পাৰে।
- ভূমি ক্ষয়: প্ৰৱল বৰষুণে পথাৰৰ উপৰিভাগৰ সাৰুৱা মাটিখিনি ধুই নিব পাৰে, যিয়ে মাটিৰ উৰ্বৰতা শক্তি হ্ৰাস কৰে।
- জলমগ্নতা আৰু শিপা পচা ৰোগ: কম সময়ৰ ভিতৰত হোৱা অতিমাত্ৰা বৰষুণে পথাৰত পানী জমা কৰিব পাৰে। যদি পানী সোনকালে ওলাই নাযায়, শস্যৰ শিপাই উশাহ লবলৈ বাধা পায় আৰু ভেঁকুৰজনিত ৰোগ বা শিপা পচা ৰোগৰ সৃষ্টি কৰিব পাৰে।
- ৰোগৰ প্ৰাদুৰ্ভাৱ: উচ্চ আৰ্দ্ৰতা আৰু ধুমুহাৰ ফলত গছত হোৱা আঘাতৰ সুযোগ লৈ পোক-পৰুৱা আৰু বেক্টেৰিয়াই শস্যৰ অনিষ্ট কৰিব পাৰে।
- পৰাগযোগত বাধা: বৰষুণ আৰু বতাহে মৌমাখিৰ দৰে পৰাগযোগকাৰী পতংগৰ কাম-কাজত ব্যাঘাত জন্মায়, যাৰ ফলত ফল-মূল আৰু শাক-পাচলিৰ বীজৰ অংকুৰণত বেয়া প্ৰভাৱ পেলায়।

## কৃষি বতৰ সম্পৰ্কীয় পৰামৰ্শাৱলী

- পথাৰত যাতে পানী জমা হৈ থাকিব নোৱাৰে, তাৰ বাবে সকলো নলা-নৰ্দমা পৰিষ্কাৰ কৰি ৰাখক। বৰষুণে ধুই নিয়াৰ সম্ভাৱনা থকা বাবে এই সময়ছোৱাত সাৰ বা কীটনাশক প্ৰয়োগ নকৰিব।
- প্ৰবল বৰষুণৰ পৰা ৰক্ষা কৰিবলৈ নতুনকৈ সিঁচা কঠীয়াতলীখন কলপাত বা খেৰেৰে ঢাকি ৰাখিবলৈ কৃষকসকলক পৰামৰ্শ দিয়া হৈছে।
- যদি শস্যবোৰ পূৰঠ হৈছে (চপোৱাৰ উপযোগী হৈছে), তেন্তে অগ্ৰাধিকাৰ ভিত্তিত সেইবোৰ তৎক্ষণাত চপাই আনক আৰু উৎপাদিত সামগ্ৰীখিনি কোনো শুকান, চালি থকা গুদামলৈ স্থানান্তৰ কৰক।
- প্লাষ্টিকৰ শ্বীট বা অস্থায়ী জাল ব্যৱহাৰ কৰি স্পৰ্শকাতৰ নাৰ্চাৰীৰ বিচনাবোৰ ঢাকি ৰাখক যাতে ধাৰাসাৰ বৰষুণৰ প্ৰত্যক্ষ প্ৰভাৱৰ পৰা পুলিবোৰ ৰক্ষা পৰে।
- বতৰৰ পূৰ্বাভাস আৰু বতৰ ভিত্তিক কৃষি পৰামৰ্শাৱলী পাবৰ বাবে কৃষকসকলক "মৌচম" এণ্ড্ৰইড এপ্লিকেচন ডাউনলোড কৰি ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিয়া হ'ল।

## যোৱা চাৰিদিনত হোৱা বৰষুণৰ চমু বিৱৰণ (০৫ – ০৮ জুন ২০২৬ )

| ৰাজ্য | ০৫-০৬-২০২৬ | ০৬-০৬-২০২৬ | ০৭-০৬-২০২৬ | ০৮-০৬-২০২৬ |
|---|---|---|---|---|
| অসম আৰু মেঘালয় | প্ৰায় সকলো ঠাইত | কিছু কিছু ঠাইত | কিছু কিছু ঠাইত | বেছিভাগ ঠাইত |

## অহা পাঁচদিনৰ বৰষুণৰ পূৰ্বাভাস

| ৰাজ্য | ০৯-০৬-২০২৬ | ১০-০৬-২০২৬ | ১১-০৬-২০২৬ | ১২-০৬-২০২৬ | ১৩-০৬-২০২৬ |
|---|---|---|---|---|---|
| অসম | প্ৰায় সকলো ঠাইত | প্ৰায় সকলো ঠাইত | প্ৰায় সকলো ঠাইত | প্ৰায় সকলো ঠাইত | প্ৰায় সকলো ঠাইত |

## শস্যৰ পৰ্যায় আৰু অসমৰ বিভিন্ন এগ্ৰ'মেট ফিল্ড ইউনিট (AMFU)ৰ দ্বাৰা জাৰি কৰা কৃষি পৰামৰ্শাৱলী

### AMFU গোসাঁইগাঁও (গোৱালপাৰা, ধুবুৰী, কোকৰাঝাৰ, বঙাইগাঁও, বৰপেটা, নলবাৰী, কামৰূপ, কামৰূপ মেট্ৰ', বাকছা, চিৰাং আৰু দক্ষিণ শালমাৰা মানকাচাৰ জিলা):

- শালি ধানৰ খেতিৰ কাৰণে মূল পথাৰখন কমপক্ষে ২১ দিনমান আগতে চহাই থব লাগে যাতে খেতিত থকা ঘাঁহ বন আৰু পোক পৰুৱাবোৰ ধ্বংস বা মৰি যাব পাৰে। খেতিয়ক সকলে বৰষুণৰ পানীৰ সুবিধা লৈ শালি ধানৰ কঠীয়া তলীখনৰ প্ৰস্ততিৰ কাম আৰু ধানৰ বীজ সিচাঁ কাম অব্যাহত ৰাখিব পাৰে। কঠীয়া তলি সদায় ওখ ঠাইত কৰিব যাতে বানপানীয়ে কঠীয়াবোৰ নষ্ট কৰি পেলাব নোৱাৰে। শালি ধানৰ ৰোৱাৰ দিন যিহেতু চমু চাপি আহি আছে সেয়েহে, শালি ধানৰ খেতিৰ বাবে কিছুমান অনুমোদিত উন্নত জাঁত যেনে- ৰঞ্জিত, বাহাদুৰ, সত্যৰঞ্জন ,বসুন্ধৰা, মাচুৰী, আদি সময় থাকতে নিৰ্ভৰ যোগ্য উৎসৰ পৰা সংগ্ৰহ কৰি লব পাৰে। গীতেশ, প্ৰফুল্ল আদি জাত প্ৰতিকূল পৰিস্থিতিত যেনে বানপানীৰ সময়ত খেতিত পানী জমা হৈ থকা বা খৰাং সাদৃশ পৰিস্তিতি সময়ত ৩০ৰ পৰা ৬০ বা তাতকৈয়ো বেছি দিনীয়া কঠীয়া ৰুব পৰা জাঁত। ইয়াৰ উপৰিও সঘনাই বানপানী হোৱা অঞ্চলবোৰৰ বাবে ৰঞ্জিত চাৱ-১, স্বৰ্ণ চাৱ-১ আৰু বাহাদুৰ চাৱ-১,আদি উপযোগী জাঁত।

- যিহেতু অহা পাঁচ দিনত বৰষুনৰ সম্ভাৱনা আছে সেয়েহে নাৰিকল আৰু তামোল গছত সাৰ প্ৰয়োগ বৰ্তমান স্থগিত ৰাখক। প্ৰতি বছৰে নাৰিকল আৰু তামোল গছত সাৰ প্ৰয়োগ কৰিব লাগে সেয়েহে যোৱা বছৰ বা তাৰ আগতে ৰোৱা নাৰিকল আৰু তামোল গছত সাৰ প্ৰয়োগ কৰাৰ কাৰণে ব্যৱস্থা লওক। নতুনকৈ নাৰিকলৰ পুলি ৰোৱাৰ বাবে ১ মিটাৰ দৈৰ্ঘ্য, ১ মিটাৰ প্ৰস্থ আৰু ১ মিটাৰ গভীৰতাৰ গাঁতত ৫-৬ টা পাতযুক্ত নাৰিকলৰ সুস্থ-সবল পুলি ৰোৱাৰ ব্যৱস্থা কৰক।

- যিহেতু অহা ৫ দিনত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে মজলীয়া ধৰণৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে সেয়েহে পাণৰ খেতিডৰাত পানী জমা নহবলৈ নলা খান্দি দিয়াৰ ব্যৱস্থা কৰক । পাণ গছৰ পাত পচা আৰু গুৰি পচা বেমাৰৰ পৰা পৰিত্ৰাণ পাবৰ বাবে ০.৫ - ১.০ শক্তিৰ বৰডো মিশ্ৰণ বেমাৰৰ প্ৰকোপ অনুযায়ী ১৫-৩০ দিনৰ অন্তৰত ৪-৮ বাৰ জুন মাহৰ পৰা চেপ্তেম্বৰ মাহলৈকে প্ৰয়োগ কৰিব লাগে।

- যোৱা কেইসপ্তাহৰ পৰা হোৱা বৰষুণৰ ফলত মৰাপাটৰ পথাৰত পানী জমা হৈ শস্যৰ অনিষ্ট হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ পৰা ৰক্ষা পাবলৈ পথাৰত ১০ মিটাৰ দুৰে দুৰে ২০ছে. মি. ওখ আৰু ২০ছে. মি. দ' নলা বনাই দিব লাগে যাতে অতিৰিক্ত বৰষুণৰ পানী ওলাই যায়।

- বৰ্তমান বাৰিষাৰ সময় গতিকে গৰু, ছাগলী আৰু ম'হক পানী বন্ধ হৈ থকা দ' এলেকাত থকা সেউজীয়া ঘাহঁ পোনপটীয়াকৈ খাব নিদি ভালদৰে ধুই ৰ'দত শুকুৱাই লৈ খাব দিব।। এই সময়ত জীৱ জন্তুৰ অন্ত-পৰজীৱৰ (Endo parasite) বাহক শামুখৰ সৰ্বাধিক বংশবৃদ্বি হোৱা হেতুকে চালুকীয়া পৰজীৱ (metacercari) বোৰ ঘাহঁৰ লগত লাগি থাকে সেয়েহে গৰু, ছাগলীয়ে পোনপটীয়াকৈ খালে কৃমিৰ দ্বাৰা আক্ৰান্ত হ'ব পাৰে। গতিকে সেউজীয়া ঘাহঁ খিনি কাটি আনি ভালদৰে ধুই ৰ'দত শুকুৱাই লৈ খাব দিব। লগতে বাৰিষাৰ আগত গৰু, ছাগলী কেইজনীক ডক্টৰৰ পৰামৰ্শ লৈ কৃমিৰ ঔষধ খুৱাব।

- যিহেতু এই অঞ্চল হাঁহ পালন কৰাৰ কাৰনে উপযুত্ত সেয়েহে উচ্চ উৎপাদনক্ষম হাঁহ যেনে খাকী কেম্পবেল হাঁহ পুহিব পাৰে। খাকী কেম্পবেল হাঁহে ২০-২২ সপ্তাহ বয়সৰ পৰা কণী পৰা আৰম্ভ কৰে আৰু এই খিনি বয়সত সিহতৰ ১-১.৫ কিলোগ্ৰাম মান ওজন হয়। তেনে বয়সতে প্ৰজননৰ বাবে প্ৰয়োজনীয় মতা হাঁহ (৮ জনী মাইকীৰ বিপৰীতে ১ টা মতা হাঁহ) ৰাখি বাকী মতা হাঁহবোৰ বিক্ৰী কৰি দিব পাৰি।

## AMFU শোণিতপুৰ (ধেমাজি, লখিমপুৰ, দৰং, শোণিতপুৰ, ওদালগুৰি আৰু বিশ্বনাথ জিলা):

- কৃষকসকলে উচ্চ উৎপাদনক্ষম শালি ধানৰ জাতৰ বীজ প্ৰামাণিক উৎসৰ পৰা সংগ্ৰহ কৰক। বৰ্তমান সময়ত অসমৰ উত্তৰ পাৰ কৃষি সংমণ্ডলৰ কৃষক সকলে শালি ধানৰ উন্নত আৰু অনুমোদিত শালি ধানৰ বিভিন্ন জাতৰ বীজসমূহ সংগ্ৰহ কৰিবলৈ আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ লখিমপুৰ, কৃষি বিজ্ঞান কেন্দ্ৰ লখিমপুৰ আৰু কৃষি বিজ্ঞান কেন্দ্ৰ শোণিতপুৰৰ লগত যোগাযোগ কৰি পাৰে।
- শালি ধানৰ অনুমোদিত উন্নত জাঁতসমূহ হৈছে দীৰ্ঘম্যাদি জাঁতসমূহ (১৫০-১৫৫ দিনীয়া) - ৰঞ্জিত, বাহাদুৰ, কুশল, পিয়লী, মাচুৰী আদি। সঘনাই বানপানী হোৱা অঞ্চলবোৰৰ বাবে অনুমূদিত জাঁতসমূহ (১৫০-১৫৫ দিনীয়া)- ৰঞ্জিত চাৱ-১, স্বৰ্ণ চাৱ-১ আৰু বাহাদুৰ চাৱ-১, জলশ্ৰী, জলকুৱৰী আদি।
- বানপানী হোৱা অঞ্চলত গীতেশ আৰু প্ৰফুল্ল নামৰ শালি ধানৰ জাত দুটা ওখ ঠাইত ৩০ জুনৰ ভিতৰত কঠীয়া পাৰি থোৱা থাকিলে ,বানপানী ওলাই যোৱাৰ পিছত এই সঁচ কেইটাৰ কঠীয়া মূল পথাৰত গীতেশৰ ৬০ দিনীয়া আৰু প্ৰফুল্লৰ ৭৫ দিনীয়া ৰুব পাৰি। মধ্যম্যাদি জাঁত (১৩০-১৩৫ দিনীয়া) -সত্যৰঞ্জন,বসুন্ধৰা, স্বৰনী আদি ।
- ওপৰত উল্লেশ কৰা সকলো জাঁতসমূহ জুন মাহৰ ভিতৰত কঠীয়াতলিত সিচি শেষ কৰক।
- শালি ধানৰ কঠীয়া তলীখন বহলে ১.২৫ মিটাৰ, দীঘলে ১০ মিটাৰ আৰু ১০ ছেঃমিঃ ওখ হোৱা উচিত । দুখন কঠীয়াতলীৰ মাজৰ ব্যৱধান প্ৰায় ১ ফুট হব লাগে। প্ৰতিখন কঠীয়া তলীত বীজ সিচাৰ আগত ২০-৩০ কিঃগ্ৰাম শুকান গোবৰ, ৮০ গ্ৰাম ইউৰিয়া, ৮০ গ্ৰাম একক চুপাৰ ফচফেট আৰু ৪০ গ্ৰাম মিউৰেট অফ পটাছ ভালদৰে মাটিৰ লগত মিহলি কৰি ল'ব। ফৰকাল বতৰ চাইহে বীজ সিঁচা কাৰ্য্য পৰিকল্পনা কৰিব
- যদি বৰো ধানৰ পথাৰত ধান কাটি থোৱা আছে, অনুকুল বতৰ চাই মুঠিবোৰ পথাৰৰ পৰা আনি নিৰাপদ ঠাইত থোৱৰ ব্যৱস্থা কৰক । বৰো ধানৰ ধাননি পথাৰত পানী জমা হবলৈ নিদিব আৰু যদি জমা হৈ যায় তেতিয়া হলে তৎকালিন ভাৱে জমা হৈ থকা পানীখিনি ওলাই দিয়াৰ ব্যৱস্থা কৰিব। বৰষুনৰ পানী মূল পথাৰত থাকিবলৈ দিলে ধান পকাত সময় বেছি লাগে।
- কৃষক সকলে আদা-হালধি ৰোৱাৰ ৪০ দিনৰ পাছত বন-বাতবোৰ নিৰোৱাৰ লগে লগে গছৰ গুৰিত মাটিও চপাই দিব। আদা-হালধি খেতিদৰা ৰাইজম ৰট বেমাৰৰ পৰা বচাবলৈ খেতিদৰাত পানী জমা হবলৈ নিদিব আৰু বৰষুণৰ পানী ওলাই যোৱাৰ সু- ব্যৱস্থা কৰি ৰাখক ।
- মে'-জুন মাহ হৈছে স্থায়ীকৈ জালুক ৰোপণ কৰিবৰ বাবে উপযুক্ত সময় । পুলিবোৰ এনেদৰে ৰুব লাগে যাতে জালুকৰ লতা বগাব পৰা আশ্ৰয়কাৰী গছৰ গুৰি আৰু পুলিটোৰ মাজৰ দূৰত্ব ৩০ চেণ্টিমিটাৰ থাকে । অনুমোদিত জাতসমূহ হ'ল- পেনিয়ুৰ-১, কল্লুভেলী, বালান কটা, কৰিমুণ্ডা ,কুটান্দন ,আৰকুলাম মুণ্ডা ইত্যাদি। ফৰকাল বতৰ চাইহে ৰোপণ কাৰ্য্য পৰিকল্পনা কৰিব।
- কৃষকসকলে কুঁহিয়াৰ ৰোৱাৰ ৪৫-৬০ দিনৰ ভিতৰত বন-বাতবোৰ নিৰানি কৰি গছৰ গুৰিত মাটি চপাই দিয়াৰ ব্যৱস্থা কৰক। তৎকালিন ভাৱে জমা হৈ থকা পানীখিনি উলিয়াই দিয়াৰ ব্যৱস্থা কৰিব। কৃষকসকলে শাক-পাচলি বাৰীখনৰ বন-বাতবোৰ নিৰানী কৰি বৰষুণৰ পানী জমা নোহোৱা সু- ব্যৱস্থা কৰি ৰাখক। গোমধানৰ পথাৰত পানী জমা হবলৈ নিদিব আৰু যদি জমা হৈ যায় তেতিয়া হলে তৎকালিন ভাৱে জমা হৈ থকা পানীখিনি উলিয়াই দিয়াৰ ব্যৱস্থা কৰিব।
- বৰষুণ আৰম্ভ হোৱাৰ লগে লগে গৰুৰ চবকা ৰোগৰ দ্বাৰা আক্ৰান্ত হ'ব পাৰে । সেয়েহে এই সময়তেই চবকা প্ৰতিৰোধকাৰী ছিটা দিয়াৰ ব্যৱস্থা কৰক।
- মাছ পালন কৰা খেতিয়ক সকলে পুখুৰীৰ পানী বঢ়াৰ লগে লগে মাছৰ পোনা মেলাৰ ব্যৱস্থা কৰক। পুখুৰীৰ পানীৰ অম্লতা বজাই ৰাখিবলৈ ২৫০ কেজি চূণ প্ৰতি হেক্টৰ প্ৰতি বছৰ প্ৰয়োগ কৰিব লাগে।

## AMFU যোৰহাট ( ডিব্ৰুগড়, তিনিচুকীয়া, যোৰহাট, গোলাঘাট, শিৱসাগৰ, চৰাইদেউ আৰু মাজুলী জিলা):

| শস্য | কৃষি পৰামৰ্শাৱলী |
|---|---|
| শালি ধান | • যিহেতু অসমত ইতিমধ্যে মৌচুমী বতাহৰ আগমন ঘটিছে আৰু পথাৰত যথেষ্ট বৰষুণৰ পানী জমা হোৱা দেখা গৈছে সেয়েহে, শালিধানৰ খেতিৰ বাবে মূল পথাৰৰ প্ৰস্তুতিৰ কাম অব্যাহত ৰাখিব পাৰে। মাটি চহোৱাৰ সময়ত বিঘাই প্ৰতি ১৩ কুইন্টল গোবৰ অথবা পচন সাৰ প্ৰয়োগ কৰি ল'ব । বৰষুণৰ পানী ধৰি ৰাখিবলৈ আলিবোৰ মেৰামতি কৰি বোকা মাটিৰে লেপি দিয়াৰ ব্যৱস্থা কৰিব ।<br>• শালিধানৰ কঠীয়াতলী প্ৰস্তুতিৰ কাৰ্য্য অব্যাহত ৰাখিব পাৰে । মাটিডোখৰ বোকা কৰি মৈয়াই লোৱাৰ পিছত ১ ফুটৰ অন্তৰালত প্ৰায় ৪ ফুট বহল আৰু ৩৩ ফুট দীঘল আয়তখেত্ৰৰ কঠীয়াতলী তৈয়াৰ কৰি ল'ব । এবিঘা মাটিত ধান ৰুবলৈ এনে আকৃতিৰ প্ৰায় ৬-৭ খন বীজতলীৰ প্ৰয়োজন হয় আৰু প্ৰতিখনতেই ৬৫০ গ্ৰামৰ পৰা ১ কিঃগ্ৰাঃ বীজ সিঁচিব লাগে । বীজ সিঁচাৰ পূৰ্বে প্ৰতিখন কঠীয়াতলীত ২০ কিঃগ্ৰাঃ গোবৰ অথবা পচন সাৰৰ লগতে ৮০ গ্ৰাম ইউৰীয়া, ৮০ গ্ৰাম এছঃএছঃপিঃ আৰু ৪০ গ্ৰাম এমঃঅঃপিঃ সাৰ প্ৰয়োগ কৰি লোৱাটো আৱশ্যকীয় । |
| অমিতা | • অহা ৫ দিনত মজলীয়া বৰষুণৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি মূল পথাৰত অমিতা পুলি ৰোৱাৰ কাম স্থগিত ৰাখিব । |
| নেমু টেঙা | • জেকা মাটি আৰু অধিক আৰ্দ্ৰতাৰ বাবে টেঙা জাতীয় গছত 'গামোচিচ' নামৰ এবিধ বেমাৰে দেখা দিব পাৰে । নিৰাময়ৰ বাবে বাৰীখনৰ পৰা অতিৰিক্ত পানীভাগ সহজে ওলাই যোৱাৰ ব্যৱস্থা কৰক । আক্ৰান্ত অংশবোৰ কটাৰীৰে চুৰুকি পটাচ পানীৰে ধুই দুই-তিনিদিন পিচত সেই অংশত বৰদ' পেস্ট সানি দিব ।<br>• নেমু টেঙা খেতিত ফলৰ ৰস শুহি খোৱা পোকৰ আক্ৰমণৰ পৰা পৰিত্ৰাণ পাবৰ বাবে ফ্লোবেন্দিয়ামাইড অথবা ইম্মামেক্টিন বেঞ্জোৱেত দৰৱৰ লগত ফলৰ ৰস আৰু চেনি পানী মিহলাই এটা বিষাক্ত মিশ্ৰণ তৈয়াৰ কৰি মাটিৰ খোলা পাত্ৰত ৰাখি গছজোপাৰ ডালত অথবা তাৰ আশে-পাশে পানী নপৰা নিৰাপদ স্থানত আঁৰি দিব । ফলৰ ৰসৰ গুন্ধৰ প্ৰতি আকৰ্ষিত হৈ এনে বিহ মিহলাই থোৱা খাদ্য সেৱন কৰাৰ ফলত এইবিধ পোকৰ লগতে অন্য বিভিন্ন অনিষ্ঠকাৰী পোক-পতংগবোৰৰ উপদ্ৰৱ যথেষ্ট পৰিমাণে হ্ৰাস পায় । |
| জাতি লাও | • গ্ৰীষ্ম কালীন জাতিলাওৰ খেতিৰ বাবে ওখ বালিচঁহীয়া মাটি নিৰ্বাচন কৰি চহাবলৈ আৰম্ভ কৰক । এই খেতিৰ বাবে অনুমোদিত জাতৰ বীজ যেনে, পুচা চামাৰ প্ৰলিফিক লং, পুচা চামাৰ প্ৰলিফিক ৰাউণ্ড, পুচা মেঘদুত, পুচা মানজিৰি আদি সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিব পাৰে । জুন-জুলাই মাহ গ্ৰীষ্মকালীন জাতিলাওৰ খেতি কৰাৰ বাবে উপযোগী । |
| মুগা পলু পালন | • এই সময়ত চোম গছৰ পাতৰ গ্ৰে ব্লাইট ৰোগ দেখা দিয়ে। এই ৰোগত পাতৰ কিছু অংশ ছাঁই ৰঙৰ দৰে হৈ শুকাই যায় । প্ৰথম অৱস্থাত সৰু সৰু ৰঙৰ দাগ পৰে আৰু পিছলৈ গোটেই পাতখিলাত বিয়পি পৰে । বেভিষ্টিন শতকৰা ০.১ হাৰত ১৫ দিনৰ অন্তৰে অন্তৰে ২/৩ বাৰ গছত ছটিয়াই দিলে এই ৰোগ নিৰাময় হয়। |
| পশু পালন | • বাৰিষা বতৰত পোহনীয়া গৰু, ম'হ, ছাগলী, গাহৰি ইত্যাদি আৰু ঘৰচীয়া জীৱ জন্তুবোৰক পশু চিকিৎসকৰ পৰামৰ্শ অনুসৰি কৃমি ঔষধ খোৱাৰ ব্যৱস্থা কৰক । ২১ দিনিয়া পোৱালী গৰু, ছাগলী, ম'হ আদিৰ ক্ষেত্ৰত প্ৰতি কিঃগ্ৰাম দৈহিক ওজনৰ অনুপাতে পিপাৰজিন দৰৱৰ ১১০-১৩০ মিঃলিঃ গ্ৰাম আৰু প্ৰাপ্তবয়স্কৰ ক্ষেত্ৰত ফেবেন্দাজল দৰৱৰ ৭ মিঃলিঃ গ্ৰাম খোওৱাৰ ব্যৱস্থা কৰিব । দৰৱ খোওৱাৰ পূৰ্বে স্থানীয় পশু চিকিৎসকৰ সৈতে যোগাযোগ কৰি লব ।<br>• গাহৰী পালক সকলে স্থানীয় পশু চিকিৎসকৰ পৰামৰ্শ অনুসৰি সময়মতে চোৱাইন ফিভাৰ বা হগ কলেৰা ৰোগৰ প্ৰতিষেধক চিতা দিয়াৰ ব্যৱস্থা কৰক । |

## AMFU চিলঙণী ( নগাঁও, মৰিগাঁও আৰু হোজাই জিলা):

১। **শালিধানৰ কঠীয়াতলী প্ৰস্তুতিঃ**
দক্ষিণ-পশ্চিম মৌচুমী বতাহ অসমত প্ৰৱেশ কৰাৰ লগে লগে বানপানীৰ আশংকা থকা অঞ্চলসমূহত শালিধানৰ কঠীয়াতলী সাৱধানতাৰে প্ৰস্তুত কৰক। বীজতলি চাৰিওফালৰ মাটিৰ তুলনাত ১৫–২০ ছেঃমিঃ ওখ কৰি প্ৰস্তুত কৰক যাতে অতিৰিক্ত পানীৰ ফলত কঠিয়া পঁচি নাযায়। বীজতলিত ভালদৰে পচোৱা গোবৰ বা অন্যান্য জৈৱ সাৰ প্ৰয়োগ কৰক। বানপানী সহনশীল ধানৰ জাত যেনে ৰঞ্জিত-চাব ১, স্বৰ্ণ-চাব ১ আৰু বাহাদুৰ-চাব ১ আদি ব্যৱহাৰ কৰিবলৈ বিবেচনা কৰিব পাৰে। বীজ বা কঠিয়াৰ ক্ষতি হ'লে যাতে পুনৰ ৰোপণ কৰিব পৰা যায়, তাৰ বাবে গাঁও বা কৃষক গোটৰ মাজত সামূহিক বীজ মজুত ব্যৱস্থা ৰাখিবলৈ পৰামৰ্শ দিয়া হৈছে।

২। ক) দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ আগমনৰ ফলত হোৱা বৰষুণৰ বাবে মৰাপাটৰ পুলিবোৰ *Damping-off* (পুলি পচা) ৰোগত আক্ৰান্ত হোৱাৰ আশংকা বৃদ্ধি পাব পাৰে। খেতিপথাৰত জমা হোৱা পানী তৎক্ষণাত দ' নলা কাটি উলিয়াই দিয়ক যাতে অতিৰিক্ত পানী জমা হৈ নাথাকে। মৌচুমী বৰষুণৰ পাছত ঘাঁহ-বন দ্ৰুতগতিত বৃদ্ধি পায়, সেয়ে ৰোৱাৰ ১৫–২০ দিন পিছত প্ৰথম বনবাত চিকুনা আৰু কোৰ মৰা কাম সম্পন্ন কৰিব লাগে। পাতলীয়া বৰষুণৰ মাজতো সুযোগ পালে বনবাত চিকুনা কাম অব্যাহত ৰাখক। বীজ সিচাৰ ৪–৬ সপ্তাহ আৰু ৬–৮ সপ্তাহ পিছত নাইট্ৰ'জেন সাৰ দুটা সমান ভাগত প্ৰয়োগ কৰক।

**খ) বিছা পোকৰ ব্যৱস্থাপনাঃ** মৌচুমী বৰষুণৰ পাছত তাপমাত্ৰা আৰু আপেক্ষিক আদ্ৰতা বৃদ্ধি পোৱাৰ ফলত মৰাপাটত বিছা পোকৰ উপদ্ৰৱ বৃদ্ধি পাব পাৰে। পাতৰ ওপৰ ভাগত কণী আৰু নতুন পলু থুপ খাই থকা দেখা যাব পাৰে। সেয়ে নিয়মিত ক্ষেত পৰ্যবেক্ষণ কৰি উপদ্ৰৱৰ প্ৰাথমিক লক্ষণ সোনকালে চিনাক্ত কৰাটো অতি প্ৰয়োজনীয়। কণী বা নতুন পলুৰ থুপ দেখা গ'লে আক্ৰান্ত কুমলীয়া পাতবোৰ সংগ্ৰহ কৰি নষ্ট কৰক, যাতে পোকৰ বিস্তাৰ ৰোধ কৰিব পৰা যায়।

৩। দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ আগমনৰ লগে লগে হোৱা বৰষুণৰ ফলত পূৰ্ঠ মগু মাহৰ চেই (pod) ফাটি গুটি সৰি যোৱাৰ আশংকা থাকে। সেয়ে পূৰ্ঠ চেইসমূহ অধিক দেৰি নকৰি অণতি পলমে ছিঙাৰ ব্যৱস্থা কৰক । যদি চেই বা গুটি বৰষুণত অধিক ভিজি থাকে, তেন্তে তৎক্ষণাত প্ৰখৰ ৰ'দত শুকুৱাব নালাগে; প্ৰথমে ছাঁয়াত শুকুৱাই ওপৰৰ অতিৰিক্ত পানী আঁতৰাব লাগে। তাৰ পিছত ভালদৰে শুকুৱাই সংৰক্ষণ কৰক। বীজ হিচাপে ৰাখিবলগীয়া গুটিসমূহ বিশেষভাৱে ভালকৈ শুকোৱাটো জৰুৰী, নহ'লে সংৰক্ষণকালত বিভিন্ন পোক-পতংগ আৰু বেমাৰৰ আক্ৰমণত নষ্ট হ'ব পাৰে। সঁচৰ বাবে সংৰক্ষণ উপযোগী কৰিবলৈ গুটিৰ আৰ্দ্ৰতা ৯–১০ শতাংশলৈ নামি অহালৈকে শুকুৱাব লাগে।

৪। খাৰিফ মাকৈঃ বৰ্তমান পাতলীয়া বৰষুণৰ বাবে মাটিৰ আদ্ৰতা বীজৰোপনৰ বাবে উপযুক্ত। ভাল নিস্কাশন থকা মাটিত বীজৰোপন কৰক আৰু ৬০ ছেমি পৰিসৰত শাৰী অনুযায়ী বীজ বোৱাওক । নিৰ্দেশিত হাইব্ৰিডৰ প্ৰমাণিত বীজ ব্যৱহাৰ কৰক। পানী জমা হোৱা ঠাইত বীজৰোপন নকৰিব।

৫। ১) কৃষকসকলে অহা ৫ দিনত ৰহৰ মাহ(টি–২১)ৰ বীজৰোপন অব্যাহত ৰাখিব পাৰিব । বৰ্তমানৰ পাতলীয়া বৰষুণৰ বতৰ বীজ অংকুৰণৰ বাবে উপযুক্ত ।

২) পানী জমা হোৱা নোহোৱা ভাল নিকাশ ব্যৱস্থা অথবা মাটি বাছনি কৰক । দ' চানেকীয়া অঞ্চলৰ বাবে ওখ মাটিৰ ভেটি ব্যৱহাৰ কৰি ৰহৰ মাহৰ খেতি কৰিব পাৰি । ৰহৰ মাহৰ বীজৰ বাবে ১২-১৫ কেজি/হেক্টৰ বীজ ব্যৱহাৰ কৰক । শাৰী–শাৰী দূৰত্ব ৬০ ছেমি আৰু গছ–গছ দূৰত্ব ২০ ছেমি ৰখা উচিত।

৬। জুন মাহলৈকে ওখ পানী জমা নহোৱা মাটিত অমিতাৰ পুলি ৰোপণ কৰিব পৰা যায়। বৰ্তমানৰ পাতলীয়া বৰষুণ ৰোপণৰ বাবে অনুকূল। পৰামৰ্শযোগ্য জাতসমূহ হৈছে: ৰাঁচি, ৱাছিংটন, হাফলং, কোৰ্গ হানিডিউ ।

৭। পশুপালন পৰামৰ্শ: বৰষুণৰ সময়ত পৰ্যাপ্ত পৰিমাণে পুষ্টিকৰ খাদ্যৰ ব্যৱস্থা কৰক আৰু নেপিয়াৰ, পাৰা, গিনি, ছেটেৰিয়া, কঙ' ছিগনেল আদি সেউজীয়া ঘাঁহ ওখ মাটিত ৰোৱাৰ ব্যৱস্থা কৰক । পৰিষ্কাৰ আৰু বিশুদ্ধ পানী পশুৰ বাবে যোগান ধৰক । গৰম আৰু আৰ্দ্ৰতাকালত ভাইৰেল আৰু বেক্টেৰিয়াজনিত ৰোগ যেনে এফ

এম ডি, এইচ এছ, বি সি কিউ, এছ এফ, ইটি আদিৰ টিকা দিয়ক।
৮। বৰ্তমান উষ্ণ আৰু মধ্যম আৰ্দ্ৰতাৰ সময়ছোৱাত কামৰূপা, বনৰজা, আৰু ৰেইনব' ৰ'ষ্টাৰ আদি উন্নত জাতৰ মুৰ্গী পালন কৰক, যিয়ে ভাল কণী উৎপাদন কৰে । বৰষুণ আৰু তাপমাত্ৰা পৰিৱৰ্তনৰ পৰা চৰাইসমূহক ৰক্ষা কৰিবলৈ উপযুক্ত চালি দিয়ক। স্বাস্থ্য ভাল ৰাখিবলৈ পৰিষ্কাৰ পানী আৰু সুষম আহাৰ যোগান ধৰক ।

## AMFU ডিফু (ডিমা হাচাও, কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলা):

| শস্য | শস্য বিশেষ পৰামৰ্শৱলী |
|---|---|
| কুহিয়াৰ | যিহেতু কুঁহিয়াৰ গছ বৰ্তমান মুখ্য বৃদ্ধিৰ (Grand Growth / Elongation Phase) পৰ্যায়ত আছে। কুঁহিয়াৰ খেতিৰ বাবে পৰ্যাপ্ত আৰ্দ্ৰতাৰ প্ৰয়োজন, কিন্তু পথাৰত পানী জমা হ'লে এই ফচলবিধৰ বিস্তৰ ক্ষতি হ'ব পাৰে। সেয়েহে, কুঁহিয়াৰ পথাৰৰ পৰা অতিৰিক্ত বৰষুণৰ পানী উলিয়াই দিবলৈ খেতিয়কসকলক পানী ওলাই যোৱা নলাৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। |
| চয়াবীন | কৃষকসকলক পথাৰত ছয়াবিনৰ বীজ সিঁচিবলৈ পৰামৰ্শ দিয়া হৈছে, কিয়নো মে' মাহৰ মাজভাগৰ পৰা জুন মাহৰ মাজভাগলৈ ছয়াবিন সিঁচাৰ আটাইতকৈ উত্তম সময়। ভাল উৎপাদন পাবলৈ আপোনাক মাটিখিনি খুব মিহি আৰু ভালদৰে গুড়ি কৰি লৈ এখন সুন্দৰ খেতিৰ বাবে উপযোগী ভেটি তৈয়াৰ কৰিবলৈ কোৱা হৈছে। ইয়াৰ বাবে প্ৰথমে মাটিডোখৰ দকৈ হাল বাই ল'ব লাগে আৰু তাৰ পিছত মৈ দি মাটিৰ চপৰাবোৰ ভাঙি সমান কৰি ল'ব লাগে। ইয়াৰ উপৰিও, পথাৰত যাতে অতিৰিক্ত বৰষুণৰ পানী জমা হৈ নাথাকি সহজে ওলাই যাব পাৰে, তাৰ বাবে অলপ ঢাল ৰাখি কম গভীৰ পৃষ্ঠীয় নলা তৈয়াৰ কৰাটো নিশ্চিত কৰিব। ছয়াবিনৰ বীজবোৰ ৪৫ চেন্টিমিটাৰ দূৰত্বত শাৰী শাৰীকৈ সিঁচিব লাগে আৰু এটা বীজৰ পৰা আনটো বীজৰ দূৰত্ব ৫ ৰ পৰা ১০ চেন্টিমিটাৰ হ'ব লাগে। বীজ সিঁচাৰ গভীৰতা ৪ চেন্টিমিটাৰতকৈ বেছি হ'ব নালাগে। যদি মাটিত পানীৰ পৰিমাণ বা জীপ বেছি থাকে, তেন্তে গভীৰতা আৰু কমাই ২ ৰ পৰা ৩ চেন্টিমিটাৰ কৰিব পাৰি। বীজবোৰ যাতে ভালদৰে গজে, তাৰ বাবে শাৰীবোৰ ধান খেৰৰ এটা পাতল তৰপেৰে ঢাকি দিব লাগে। |
| ৰহৰ ৰঙামছুৰ | পথাৰত অৰহৰ (ৰহৰ মাহ) বীজ সিঁচাৰ বাবে জুনৰ পৰা জুলাই মাহ আটাইতকৈ উত্তম সময়। ভাল উৎপাদন পাবলৈ উন্নত জাতৰ যেনে— 'টি-২১' (T-21) ৰ দৰে অধিক উৎপাদনক্ষম বীজ সংগ্ৰহ কৰাৰ পৰামৰ্শ দিয়া হৈছে। মাটিখিনি ভালদৰে প্ৰস্তুত কৰিবলৈ পথাৰখন ৩ ৰ পৰা ৫ বাৰ হাল বাই ল'ব, মাটিডোখৰ সমান কৰিব আৰু সকলো অপতৃণ (বন-বাত) আঁতৰাই পেলাব। খেতি কৰিবৰ বাবে প্ৰতি বিঘা মাটিত ১.৬ ৰ পৰা ২.০ কিলোগ্ৰাম (অথবা প্ৰতি হেক্টৰত ১২ ৰ পৰা ১৫ কিলোগ্ৰাম) বীজৰ প্ৰয়োজন হ'ব। বীজ সিঁচাৰ সময়ত কেৱল ফৰকাল বতৰতহে শাৰীবোৰৰ মাজত ৭৫ চেন্টিমিটাৰ আৰু এটা পুলিৰ পৰা আনটো পুলিৰ মাজত ৩০ চেন্টিমিটাৰ দূৰত্ব ৰখাটো নিশ্চিত কৰিব। |

| পশু সম্পত্তি | পশু সম্পত্তি বিশেষ পৰামৰ্শৱলী |
|---|---|
| গাই | গাখীৰ উৎপাদন ক্ষমতা বৃদ্ধিৰ বাবে খীৰতী গাই বা দুগ্ধজাত পশুবোৰক সুষম আহাৰ (balanced feed) দিব লাগে। ইয়াৰ উপৰিও পশুবোৰক জুকাৰ ঔষধ (deworming) খুৱাব লাগে। মাকৈ, বহুবৰ্ষজীৱী ঘাঁহ (perennial grasses) আৰু অন্যান্য ঘাঁহজাতীয় শস্যবোৰ এই সময়তে কাটি ল'ব লাগে। এই সময়ছোৱাত অত্যাধিক গৰমৰ বাবে পশুবোৰৰ গাত দেখা দিব পৰা ৰোগসমূহ হৈছে— জ্বৰ, জলবিয়োজন (শৰীৰত পানীৰ পৰিমাণ কমি যোৱা), শৰীৰৰ নিমখ বা লৱণ হ্ৰাস পোৱা, ভোক হেৰুওৱা আৰু উৎপাদন ক্ষমতা কমি যোৱা। |

| পলট্ৰি | পলট্ৰি বিশেষ পৰামৰ্শৱলী |
|---|---|
| চৰাই | কুকুৰাবোৰক ৰাণীকেত (ৰানিক্ষেত), মাৰেক্স ৰোগ (Marek's disease) আৰু কুকুৰা বসন্ত (Fowl pox) ৰোগৰ বিৰুদ্ধে প্ৰতিষেধক টিকাকৰণ কৰাব লাগে। ককচিডিঅ'চিচ (Coccidiosis), গাম্বুৰু (Gamburu) আদি ৰোগ প্ৰতিৰোধ কৰিবলৈ পামখনত পৰিষ্কাৰ-পৰিচ্ছন্ন পৰিৱেশ বজাই ৰাখিব লাগে। কুকুৰাৰ আহাৰ হঠাতে সলনি কৰিলে ক্ষতি হ'ব পাৰে। লগতে, কুকুৰাৰ থকা ঠাইৰ মজিয়াত পৰা তুঁহ বা খেৰৰ লেটাৰখিনি (Litter) সদায় শুকান কৰি ৰাখিব লাগে। |

## AMFU কৰিমগঞ্জ ( কাচাৰ, কৰিমগঞ্জ/শ্ৰী ভূমি আৰু হাইলাকান্দি):

| শস্য/ পশু/মাছ | পর্যায় | পরামর্শসমূহ |
|---|---|---|
| শালি ধান | রপন | আবহাওয়ার পূর্বাভাস ও সতর্কবার্তা অনুযায়ী, আগামী দিনগুলিতে মাঝারি বৃষ্টিপাতের সম্ভাবনা রয়েছে। আবহাওয়ার উন্নতি না হওয়া পর্যন্ত কৃষকদের চারাগাছে শালি ধানের বীজ বপন স্থগিত রাখার পরামর্শ দেওয়া হচ্ছে। যেসব চারাগাছে ইতোমধ্যে শালি ধানের বীজ বপন করা হয়েছে, সেখানে জলাবদ্ধতা এবং চারার ক্ষতি রোধ করার জন্য যথাযথ নিষ্কাশন ব্যবস্থা বজায় রাখতে হবে। চারার সুস্থ বৃদ্ধি নিশ্চিত করতে এবং অতিরিক্ত বৃষ্টিপাতের কারণে ক্ষতি কমাতে চারাগাছ নিয়মিত পর্যবেক্ষণ করারও পরামর্শ দেওয়া হচ্ছে। |
| শালি ধান | | যেহেতু বরাক উপত্যকার জেলাগুলি নিচু এবং বন্যাপ্রবণ এলাকা, তাই কৃষকদের আসাম কৃষি বিশ্ববিদ্যালয়ের জেডআরএস বা কেভিকে থেকে রঞ্জিত সাব-১, বাহাদুর সাব-১ এবং স্বর্ণা সাব-১-এর মতো উচ্চ ফলনশীল ও জলমগ্নতা সহনশীল ধানের জাতের বীজ সংগ্রহ করে সেই অনুযায়ী চারাগাছ প্রস্তুত করার পরামর্শ দেওয়া হচ্ছে। |
| শালি ধান | জমি প্রস্তুতি | এই সপ্তাহে মাঝারি বৃষ্টিপাতের পূর্বাভাস থাকায়, কৃষকদের শালি ধান চাষের জন্য জমি তৈরির মূল কাজ চালিয়ে যেতে এবং বৃষ্টির পানি কার্যকরভাবে ধরে রাখার জন্য জমির আইল মজবুত করার পরামর্শ দেওয়া হচ্ছে। আইলের সঠিক রক্ষণাবেক্ষণ মাটির আর্দ্রতা সংরক্ষণে সাহায্য করবে এবং পরবর্তী ফসলের পরিচর্যার জন্য পর্যাপ্ত পানির জোগান নিশ্চিত করবে। |
| মাচ | | মাছ চাষিদের নির্ভরযোগ্য উৎস থেকে সুস্থ পোনা সংগ্রহ করার পরামর্শ দেওয়া হচ্ছে, কারণ মাছের পুকুরে পর্যাপ্ত জল রয়েছে। পুকুরে নতুন পোনা ছাড়ার আগে বারবার জাল ফেলে অবাঞ্ছিত মাছ ও শিকারি প্রাণী সরিয়ে ফেলুন। মাছের পালানো রোধ করতে পুকুরের চারপাশ জাল দিয়ে ঘিরে সুরক্ষিত করার জন্যও মাছ চাষিদের পরামর্শ দেওয়া হচ্ছে। |
| গরু | | এই সপ্তাহে বৃষ্টিপাত ও বজ্রঝড়ের পূর্বাভাস থাকায় পশুপালকদের তাদের পশুদের গোয়ালঘরে রাখার এবং দিনের বেলায় খোলা মাঠে চরা থেকে বিরত রাখার পরামর্শ দেওয়া হচ্ছে। পশুদের সুস্থ রাখতে পালনকারীরা দানাদার খাদ্য ও সবুজ ঘাসের সাথে ৩০ গ্রাম আয়োডিনযুক্ত লবণ সরবরাহ করতে পারেন। |
| পাখি | | পাখিদের সঠিক পুষ্টি নিশ্চিত করতে, সুস্বাস্থ্য বজায় রাখতে এবং সর্বোত্তম উৎপাদন অর্জনের জন্য প্রয়োজনীয় খনিজ, ভিটামিন ও অ্যামিনো অ্যাসিড সমৃদ্ধ একটি সুষম খাদ্য সরবরাহ করা উচিত। |

Annexure I

# আগন্তুক ৫ দিনৰ বাবে জিলা পৰ্যায়ৰ বৰষুণৰ পূৰ্বাভাস জাৰি কৰিছে RMC গুৱাহাটীয়ে















Annexure II

# আগন্তুক ৫ দিনৰ বাবে জিলা পৰ্যায়ৰ বতৰৰ সতৰ্কবাণী জাৰি কৰিছে RMC গুৱাহাটীয়ে















Annexure III

| অসমৰ জিলাভিত্তিত বতৰৰ আগজাননী আৰু সতৰ্কতা | | | | | | |
|---|---|---|---|---|---|---|
| ৰাজ্য | অসম | | তাৰিখ: | ৯ জুন, ২০২৬ | সময়: | দিনৰ ১২:৪০ |
| জিলা | | প্ৰথম দিন | দ্বিতীয় দিন | তৃতীয় দিন | চতুৰ্থ দিন | পঞ্চম দিন |
| | | ৯ জুন, ২০২৬ | ১০ জুন, ২০২৬ | ১১ জুন, ২০২৬ | ১২ জুন, ২০২৬ | ১৩ জুন, ২০২৬ |
| পশ্চিম অসম | | | | | | |
| ধুবুৰী | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে |
| দক্ষিণ শালমাৰা মানকাচাৰ | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্ৰজপাতৰ সৈতে প্ৰবলৰ পৰা অতি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাবনা আছে । ঠাই বিশেষে বতাহ বলাৰো সম্ভাবনা আছে, বতাহৰ সৰ্বোচ্চ গতিবেগ ৩০কিঃমিঃ পৰা ৪০ কিঃমিঃ হব পাৰে। | সতৰ্কবাণী নাই | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে |
| গোৱালপাৰা | বতৰৰ আগজাননী | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |
| কোকৰাঝাৰ | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে |

| | | | | | | |
|---|---|---|---|---|---|---|
| চিৰাং | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্ৰজপাতৰ সৈতে প্ৰবলৰ পৰা অতি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে । ঠাই বিশেষে বতাহ বলাৰো সম্ভাবনা আছে , বতাহৰ সৰ্বোচ্চ গতিবেগ ৩০কিঃমিঃ পৰা ৪০ কিঃমিঃ হব পাৰে । | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱলৰ পৰা অতি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্ৰজপাতৰ সৈতে প্ৰৱলৰ পৰা অতি প্ৰবল বৰষুণ হোৱাৰ সম্ভাবনা আছে |
| বাক্সা | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্ৰজপাতৰ সৈতে প্ৰবলৰ পৰা অতি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে । ঠাই বিশেষে বতাহ বলাৰো সম্ভাবনা আছে , বতাহৰ সৰ্বোচ্চ গতিবেগ ৩০কিঃমিঃ পৰা ৪০ কিঃমিঃ হব পাৰে । | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্ৰজপাতৰ সৈতে প্ৰৱলৰ পৰা অতি প্ৰবল বৰষুণ হোৱাৰ সম্ভাবনা আছে |
| বৰপেটা | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |
| বঙাইগাঁও | বতৰৰ আগজাননী | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |
| বজালী | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |

| | | | | | | |
|---|---|---|---|---|---|---|
| তামুলপুৰ | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্ৰজপাতৰ সৈতে প্ৰবলৰ পৰা অতি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাবনা আছে । ঠাই বিশেষে বতাহ বলাৰো সম্ভাবনা আছে , বতাহৰ সৰ্বোচ্চ গতিবেগ ৩০কিঃমিঃ পৰা ৪০ কিঃমিঃ হব পাৰে । | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্ৰজপাতৰ সৈতে প্ৰবলৰ পৰা অতি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাবনা আছে । ঠাই বিশেষে বতাহ বলাৰো সম্ভাবনা আছে , বতাহৰ সৰ্বোচ্চ গতিবেগ ৩০কিঃমিঃ পৰা ৪০ কিঃমিঃ হব পাৰে । | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱলৰ পৰা অতি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্ৰজপাতৰ সৈতে প্ৰৱলৰ পৰা অতি প্ৰবল বৰষুণ হোৱাৰ সম্ভাবনা আছে |
| নলবাৰী | বতৰৰ আগজাননী | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |
| কামৰূপ | বতৰৰ আগজাননী | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে |
| কামৰূপ মেট্ৰ' | বতৰৰ আগজাননী | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে |
| মধ্য অসম | | | | | | |
| দৰং | বতৰৰ আগজাননী | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |
| ওদালগুৰি | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্ৰজপাতৰ সৈতে প্ৰৱলৰ পৰা অতি প্ৰবল বৰষুণ হোৱাৰ সম্ভাবনা আছে |

| | | | | | | |
|---|---|---|---|---|---|---|
| মৰিগাঁও | বতৰৰ আগজাননী | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে |
| | সতৰ্কতা | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |
| নগাঁও | বতৰৰ আগজাননী | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে |
| | সতৰ্কতা | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |
| হোজাই | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |
| পশ্চিম কাৰ্বিআংলং | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্রজপাতৰ সৈতে প্ৰবলৰ পৰা অতি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাবনা আছে । ঠাই বিশেষে বতাহ বলাৰো সম্ভাবনা আছে , বতাহৰ সৰ্বোচ্চ গতিবেগ ৩০কিঃমিঃ পৰা ৪০ কিঃমিঃ হব পাৰে । | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |
| পূব কাৰ্বিআংলং | বতৰৰ আগজাননী | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | সতৰ্কবাণী নাই | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাতৰ সৈতে প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |
| গোলাঘাট | বতৰৰ আগজাননী | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে |
| | সতৰ্কতা | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |
| শোণিতপুৰ | বতৰৰ আগজাননী | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে |
| | সতৰ্কতা | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |

| | | | | | | |
|---|---|---|---|---|---|---|
| বিশ্বনাথ | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই |
| উত্তৰ-পূব অসম | | | | | | |
| লখিমপুৰ | বতৰৰ আগজাননী | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে |
| | সতৰ্কতা | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্ৰজপাতৰ সৈতে প্ৰৱলৰ পৰা অতি প্ৰবল বৰষুণ হোৱাৰ সম্ভাবনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্ৰজপাতৰ সৈতে প্ৰৱলৰ পৰা অতি প্ৰবল বৰষুণ হোৱাৰ সম্ভাবনা আছে |
| ধেমাজি | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্ৰজপাতৰ সৈতে প্ৰবলৰ পৰা অতি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাবনা আছে । ঠাই বিশেষে বতাহ বলাৰো সম্ভাবনা আছে , বতাহৰ সৰ্বোচ্চ গতিবেগ ৩০কিঃমিঃ পৰা ৪০ কিঃমিঃ হব পাৰে । | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্ৰজপাতৰ সৈতে প্ৰৱলৰ পৰা অতি প্ৰবল বৰষুণ হোৱাৰ সম্ভাবনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্ৰজপাতৰ সৈতে প্ৰৱলৰ পৰা অতি প্ৰবল বৰষুণ হোৱাৰ সম্ভাবনা আছে |
| যোৰহাট | বতৰৰ আগজাননী | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |
| মাজুলী | বতৰৰ আগজাননী | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |
| শিৱসাগৰ | বতৰৰ আগজাননী | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |
| চৰাইদেও | বতৰৰ আগজাননী | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |

| | | | | | | |
|---|---|---|---|---|---|---|
| ডিব্ৰুগড় | বতৰৰ আগজাননী | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে |
| | সতৰ্কতা | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে |
| তিনিচুকীয়া | বতৰৰ আগজাননী | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | কিছু কিছু ঠাইত বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে |
| | সতৰ্কতা | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে |
| দক্ষিণ অসম | | | | | | |
| ডিমাহাচাও | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্ৰজপাতৰ সৈতে প্ৰবলৰ পৰা অতি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাবনা আছে । ঠাই বিশেষে বতাহ বলাৰো সম্ভাবনা আছে , বতাহৰ সৰ্বোচ্চ গতিবেগ ৩০কিঃমিঃ পৰা ৪০ কিঃমিঃ হব পাৰে । | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |
| কাছাৰ | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |
| হাইলাকান্দি | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |

| শ্ৰীভূমি | বতৰৰ আগজাননী | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | প্ৰায় সকলো ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । | বেছিভাগ ঠাইতে বিজুলী ঢেৰেকণি সহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে । |
|---|---|---|---|---|---|---|
| | সতৰ্কতা | দুই এঠাইত বিজুলী ঢেৰেকণি সহ ব্রজপাতৰ সৈতে প্ৰবলৰ পৰা অতি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাবনা আছে । ঠাই বিশেষে বতাহ বলাৰো সম্ভাবনা আছে , বতাহৰ সৰ্বোচ্চ গতিবেগ ৩০কিঃমিঃ পৰা ৪০ কিঃমিঃ হব পাৰে । | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | দুই এঠাইত বিজুলী ঢেৰেকণি সহ বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে | সতৰ্কবাণী নাই | সতৰ্কবাণী নাই |

****পূৰ্বানুমান আৰু সতৰ্কতা পুৱা ৮:৩০ ৰ পৰা পৰৱৰ্তী ২৪ ঘন্টাৰ বাবে****

| WARNING | Probabilistic Forecast Terms | Probability of Occurrence(%) |
|---|---|---|
| WARNING (Take Action) | Unlikely | <25 |
| ALERT (Be prepared to take action ) | Likely | 25-50 |
| WATCH (Be Updated) | Very Likely | 50-75 |
| No Warning (No Action) | Most Likely | >75 |